# ARYAN

**YEAR: 1966-67**

**EDITOR:Mohan Deka**



# এৰিয়ান

# ARYAN

।। সম্পাদক পৰমেশ শীল ।।

# এরিয়ান

সম্পাদক

তত্ত্বাবধায়ক :

অধ্যাপক ॥ নীলমণি ফুকন

অধ্যাপক ॥ উদয় দত্ত

# এৰিয়ান

## আৰ্য্য বিদ্যাপীঠ কলেজ আলোচনী

সম্পাদক : মোহন ডেকা

সহঃ সম্পাদক : বীৰেন দত্ত


৮ম সংখ্যা

১৯৬৬-৬৭

# সূচী-পত্ৰ

এই সংখ্যাত আছে :


ডিম্বেশ্বৰ নেওগলৈ শ্ৰদ্ধাঞ্জলি ১
এগোপা ৰজনীগন্ধা ফুল ৪
এজাক বতাহ বলিছিল ৫
বেজবৰুৱা-সাহিত্যৰ আধুনিক আবেদন সম্পৰ্কে যৎকিঞ্চিত ৬
কালিদাসৰ শকুন্তলা নাটকত প্ৰকৃতি ১০
ত্ৰিভুজ ১৪
ভাৰতীয় টকাৰ মূল্যহ্ৰাস ১৮
সত্য আৰু সুন্দৰ ২০
এটা মুদ্ৰাৰ দুটা পিঠি ২২
অসম কেশৰী অম্বিকাগিৰী ২৭
তুৰৰা আৰু প্ৰকৃতি ২৯
মহাপুৰুষ শ্ৰীমাধবদেৱৰ নাট-ঝুমুৰাত নাৰী চৰিত্ৰ ৩৩
ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি ৩৭
জীৱৰ মূল ৪১
সাহিত্যত নোবেল প্ৰাইজ : যোচেফ আগনন আৰু নেলি শাখচ ৪৫
শিক্ষাত বংশগত গুণ আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ ৪৮
সত্তৰ হেজাৰ ডলাৰ ৫২
অচিনাকি ফুলৰ ৰং ৫৮
সম্পাদকীয় ৫৯

বঢ়াইছে :

নলিনীধৰ ভট্টাচাৰ্য্য, বিৰিঞ্চিকুমাৰ ডেকা, গৌৰীকান্ত শৰ্মা, নিত্যা বৰা, উপেন্দ্ৰ নাথ শৰ্মা, অধ্যাপক নগেন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া, ৰবীন্দ্ৰনাথ ঠাকুৰ, ভবেন বেজ, অধ্যাপক দুৰ্গেশ্বৰ শৰ্মা, পৰমেশ শীল, খগেন্দ্ৰচন্দ্ৰ নাথ, ৰজনীকান্ত শৰ্মা, শশধৰ নাথ, খগেন ডেকা, মিনতি দত্ত, জিতৰাম কলিতা, বিপ্লু,


VICE-CHANCELLOR
GAUHATI UNIVERSITY

GAUHATI
*January 18, 1967.*

The progress of an affiliating University is largely the reflex of the progress of affiliated colleges. It is a matter of great satisfaction to the University that the Arya Vidyapeeth College which was first affiliated to it on 31st July, 1961, has in course of six years put through an ambitious building programme which has enabled the college to enrol 810 students and to offer instruction in 18 subjects in Arts and Science. With the physical facilities thus made available the college should be able to make a positive contribution to the raising of academic standards in the State. All that is necessary is to build up a tradition of high academic endeavours which calls for harmonious co-operation between the staff and student.

I wish godspeed to this Institution.

Sd/- M. N. Goswami
Vice-Chancellor
GAUHATI UNIVERSITY.



*ৰিড্‌ম্‌*

শিল্পী ॥ হেমেন বৰুৱা ॥ প্ৰথম বাৰ্ষিক বিজ্ঞান

# ডিম্বেশ্বৰ নেওগলৈ শ্ৰদ্ধাঞ্জলি

নলিনীধৰ ভট্টাচাৰ্য্য

ডিম্বেশ্বৰ নেওগৰ মৃত্যু নিঃশব্দ পদযাত্ৰাৰ দৰে; মহানিঃশব্দৰ পদধ্বনি শুনি তাৰ লগত খোজ মিলাবলৈ বুলি তেওঁ যেন হাতত সাৰে ভৰিত সাৰে আমাৰ মাজৰপৰা আঁতৰি গ'ল। সেয়ে তেওঁৰ মৃত্যু এটা শোকাবহ ঘটনা। অৰ্দ্ধশতাব্দী জুৰি সাহিত্যৰ নীৰৱ আৰু কষ্টকৰ সাধনাৰ মাজেদি তেওঁ আমাক যিখিনি দি থৈ গৈছে, আজি সেয়ে আমাৰ সান্ত্বনা।


লেখকৰ কাৰণে বাৰ্ণাড শ্ব, নাইবা ইয়েট্‌চৰ দীৰ্ঘজীৱন বাঞ্ছনীয়। নেওগৰ ৬৭ বছৰত মৃত্যু হৈছে যদিও সি প্ৰকৃততে মৰিবৰ বয়স নহয়। আৰু কেইটামান বছৰ তেওঁ আমাৰ মাজত থকা হ'লে অসমীয়া সাহিত্য সমৃদ্ধ হ'লহেঁতেন। জীৱন-কালত আমাৰ অনুদাৰতাৰ বলি হ'ল তেওঁ; পণ্ডিত সমাজে তেওঁক ভাল চকুৰে নেচালে, বিশ্ববিদ্যালয়ৰ দুৱাৰ তেওঁৰ কাৰণে মুকলি নহ'ল, বন্ধুমহলতো য'ত প্ৰথমতে খ্যাতিৰ পোখা মেলে, এই প্ৰতিভাটিক বুজিব পৰা মানুহ নোলাল। জনসাধাৰণৰ এটা বুজন অংশ শিক্ষিত সমাজৰ পৰা আঁতৰত থাকে; তেওঁলোকৰ কথা বাদ দিছোঁ। সাহিত্যানুৰাগী যি দুই-চাৰিজন

# এথোপা ৰজনীগন্ধা ফুল

**বিৰিঞ্চি কুমাৰ ডেকা**
তৃতীয় বাৰ্ষিক বিজ্ঞান

আকাশত ওলমি আছে
এটা জোন
হয়তো এতিয়াই আহিব নামি
খিৰিকীৰ ৰেলিঙেদি
এই ভাব,
দূৰৈৰ ৰূপালী বালিৰ চৰ
জোনাকত নদীৰ ঢৌ।

নিচুক এটি মন লৈ
মই ৰৈ আছিলোঁ,
মোৰ সমুখত ৰৈ আছিল
মোৰ অজানিতে
সেই চিৰন্তন নাৰী
হাতত
এথোপা ৰজনীগন্ধা ফুল'



# এজাক বতাহ বলিছিল

গৌৰীকান্ত শৰ্ম্মা
দ্বিতীয় বাৰ্ষিক, বিজ্ঞান

এজাক বতাহ বলিছিল।
ৰিব্ ৰিব্ কৈ বলা এজাক বতাহে
বহু কথা কঢ়িয়াই আনি
মোৰ গাত কোবাই গৈছিল।

যেন গুজৰি-গুমৰি উঠিছিল
বেদনাৰ কথাবোৰ
বতাহত
আৰু শত হুমুনিয়াহ।

নিৰাশাই চুৰনাৰ কৰা
মুখবোৰ আহি
মোৰ মানস পটত ভাঁহি উঠিছিল
এজাক বতাহ বলিছিল।



# বেজবৰুৱা সাহিত্যৰ আধুনিক আবেদন সম্পৰ্কে যৎকিঞ্চিত

**নিত্যা বৰা**
তৃতীয় বাৰ্ষিক, কলা

লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া সাহিত্য জগতৰ এজনা ঐতিহাসিক পুৰুষ। প্ৰায় অৰ্দ্ধশতাব্দী কাল ধৰি এই ঐতিহাসিক পুৰুষৰ ব্যক্তিত্বই অসমীয়াৰ জাতীয়তা আৰু চিন্তাধাৰাৰ মানসিক নেতৃত্ব বহন কৰিছিল।

ঊনবিংশ শতিকাৰ মাজভাগ মানৰ পৰাই অসমীয়া জাতীয় জীৱনলৈ ন-উন্মেষ আহিল। এই সময়তে অসমীয়া সাহিত্যও নতুন ভাবৰ প্ৰেৰণাত ঠন ধৰি উঠিল। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদি আছিল বিদেশী খৃষ্টিয়ান মিশ্যনেৰী সকলৰ সহযোগত অসমীয়া জাতীয় জীৱন তথা সাংস্কৃতিক জীৱন পুনৰ্নিৰ্ম্মাণৰ প্ৰথম কাৰিকৰ। এই শতিকাৰে শেহৰ ফালে 'জোনাকী' কাকতৰ প্ৰতিষ্ঠাই অসমীয়া সাহিত্যৰ সোণালী যুগৰ সূচনা কৰিলে। 'জোনাকী' আৰু পাছত 'বাঁহী' কাকতক কেন্দ্ৰ কৰিয়েই বেজবৰুৱাৰ বিশাল ব্যক্তিত্বই পোখা মেলে আৰু প্ৰায় পঞ্চাশ বছৰ কাল জুৰি অসমীয়া সাহিত্য-জগতৰ ওপৰত প্ৰভাব বিস্তাৰ কৰিছিল। সেয়ে এজন সমালোচকে ১৮৮৯ খৃষ্টাব্দত 'জোনাকী'ৰ জন্মলগ্নৰ পৰা বেজবৰুৱাৰ মৃত্যুৰ দুবছৰৰ পাছলৈকে অৰ্থাৎ ১৯৪০ খৃষ্টাব্দলৈ এই অৰ্দ্ধশতাব্দী কালক 'বেজবৰুৱাৰ যুগ' বুলি অভিহিত কৰিছে।

বেজবৰুৱা যুগ অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগ। এই সাহিত্যৰ আদৰ্শ ঘাইকৈ ঊনবিংশ শতিকাৰ প্ৰথম ভাগত দেখা দিয়া ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক ৰিভাই-ভেল্ বা নৱন্যাসৰ পুনৰজাগৰণ। বেজবৰুৱা আছিল অসমীয়া নৱন্যাস আন্দোলনৰ প্ৰধান গুৰিধৰোতা। সাহিত্যৰ প্ৰায় সকলো বিভাগতে তেওঁ হাত দিছিল। তেওঁ আছিল একাধাৰে কবি, গল্প লিখক, ঔপন্যাসিক, নাট্যকাৰ, সাংবাদিক, সমালোচক, প্ৰধানকৈ হাস্যৰসিক বা ব্যংগ ৰসিক। বেজবৰুৱাৰ সাহিত্যিক প্ৰতিভাই বিভিন্ন সাহিত্য মাধ্যমৰ মাজেদি আত্মপ্ৰকাশ কৰিবলৈ বিচাৰিছিল। আৰু বেজবৰুৱা সাহিত্য প্ৰতিভাৰ এই আত্মপ্ৰকাশৰ চেষ্টা বহুক্ষেত্ৰত পৰীক্ষামূলক অৱস্থাতে ৰৈ গৈছিল।

আমাৰ সাহিত্যত বেজবৰুৱাৰ সাহিত্যৰ সকলো

দিশৰ ওপৰত এতিয়াও পূৰ্ণাঙ্গ আলোচনা হোৱা নাই। বিশেষকৈ আধুনিক পটভূমিত বেজবৰুৱা সাহিত্যৰ পুনৰবিচাৰৰ প্ৰয়োজনীয়তা কোনেও নুই কৰিব নোৱাৰে। বেজবৰুৱা সাহিত্যৰ স্থায়ী আবেদন কি? বেজবৰুৱা একালৰ নে সৰ্ব্বতিকালৰ? বেজবৰুৱা সাহিত্যৰ আধুনিক আবেদন আছেনে? অৰ্থাৎ আধুনিক পাঠক সমাজে বেজবৰুৱা সাহিত্যক কেনে ভাবে গ্ৰহণ কৰে, বেজবৰুৱাৰ গল্প বা কবিতা পঢ়ি তেওঁলোকে এতিয়া কি পাব, বেজবৰুৱাৰ ব্যংগ ৰচনা পঢ়ি বা তেওঁৰ ধেমেলীয়া ৰচনাৱলী পঢ়ি এতিয়া তেওঁলোকে হাঁহিবনে নেহাঁহে? এনেধৰণৰ প্ৰশ্নৰ সৰ্ব্বসন্মত উত্তৰ দিয়া কঠিন। এইবোৰ প্ৰশ্নৰ সন্দৰ্ভত বেজবৰুৱা সাহিত্যৰ সম্বন্ধে আলোচনা কৰিবলৈ যাওঁতে আমি প্ৰথমে চাব লাগিব বেজবৰুৱা সাহিত্যৰ পটভূমি কি আছিল। বেজবৰুৱা সংক্ৰান্তিকালৰ লেখক। তেওঁ এনে এটা সময়ত হাতত কলম তুলি লৈছিল যি সময়ত অসমীয়া সাহিত্যত এক নতুন যুগৰ সূচনা হৈছিল। এই সূচনা পৰ্ব্বৰ বেজবৰুৱা নিজেই এজন প্ৰধান পুৰোহিত আছিল।

সেই যুগৰ অন্যান্য লিখকৰ দৰে তেওঁৰো সাহিত্যিক মানসৰ আদৰ্শ আছিল পাশ্চাত্য। গল্প, কবিতা, নাটক, প্ৰৱন্ধ আদিৰ যোগেদি তেওঁ এই ন-আদৰ্শৰ বীজ ৰোপণ কৰিছিল। দেখা যায় সাহিত্যৰ সকলো শাখাতে বেজবৰুৱাই প্ৰতিভা দেখুৱাব পৰা নাই। ইয়াৰ কাৰণ দুটা বুলি অনুমান হয়। প্ৰথম হ'ল বেজবৰুৱাই বহু সময়ত সৃষ্টিৰ তাড়নাতকৈ প্ৰয়োজনৰ তাগিদাতহে এনেদৰে সাহিত্যৰ সকলো বিষয়তে হাত দিছিল। ইউৰোপীয় ৰোমান্টিক আন্দোলনৰ পোহৰত তেওঁ অসমীয়া সাহিত্যৰ বিভিন্ন দিশত যি দৰিদ্ৰতা দেখিছিল সেয়ে বোধকৰো বেজবৰুৱাক এনে কামত প্ৰবৃত্ত হবলৈ উদগনি দিছিল।

বেজবৰুৱা সাহিত্য তেওঁৰ সময়ৰ সমাজৰ দাপোণ স্বৰূপ। সেই যুগৰ অসমীয়া সমাজৰ লগত বেজবৰুৱা সাহিত্যৰ সম্পৰ্ক নিবিড়। বেজবৰুৱাৰ সাহিত্যিক মানস সমসাময়িক অসমীয়া সমাজৰ মাজত লালিত-পালিত। সেই সময়ৰ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মাজত তেওঁ যি আত্ম-সচেতনতাৰ ভাব জগাই তুলিছিল তাৰ এটা ক্ষীণ প্ৰবাহ এতিয়াও বৈ আছে।

বেজবৰুৱা সাহিত্যত খলা-বমা আছে যথেষ্ট। লঘু-গুৰু সকলোবিধ ৰচনাৰ মাজতে কিন্তু হাস্যৰসিক বেজবৰুৱাজনহে ঘাইকৈ ওলাই পৰে। তেওঁৰ হাস্যৰসিক মনটোৱে অন্যান্য গম্ভীৰ ৰচনাৱলীৰ মাজতো প্ৰায়ে অপ্ৰয়োজনীয় ভাবে অনুপ্ৰবেশ কৰি বিষয়বস্তুৰ গাম্ভীৰ্য্য ক্ষুণ্ণ কৰা দেখা যায়।

বেজবৰুৱাৰ মৃত্যু হোৱা প্ৰায় ডেৰকুৰি বছৰ হ'ল। এইখিনি সময়ৰ ভিতৰত আমাৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনৰ যথেষ্ট পৰিৱৰ্ত্তন হ'ল। মানুহৰ ৰূপ-ৰুচিৰ পৰিৱৰ্ত্তন ঘটিল। যুদ্ধৰ আগৰ সময়ছোৱাত আমি যিবিলাক বস্তুত মনৰ খোৰাক বিচাৰি পাইছিলো—সেইবিলাক বস্তুৰ প্ৰতি আমাৰ বিৰাগ দিনক দিনে বাঢ়ি আহিল। সামাজিক পৰিবৰ্ত্তনৰ এই পৰিপ্ৰেক্ষিতত সাহিত্য সংস্কৃতিৰ জগতখনলৈও পৰিবৰ্ত্তন অহাটো স্বাভাবিক।

যি চিৰন্তন সিয়েই আধুনিক। কাৰণ এনে সৃষ্টিৰ আবেদন সকলো যুগতে থাকে। এতিয়া চোৱা যাওক বেজবৰুৱাৰ সাহিত্যত এই চিৰন্তন আবেদন ক'ত ক'ত আছে। হাস্য-ৰস বা ব্যংগৰসেই বেজবৰুৱা সাহিত্যৰ প্ৰাণবস্তু। এই হাস্যৰস সৃষ্টি কৰিবলৈ যাওতেই বেজবৰুৱা সাহিত্যৰ 'অজৰ-অমৰ পুৰুষ' কৃপাবৰ বৰবৰুৱাৰ জন্ম। এজন সমালোচকৰ ভাষাত কৃপাবৰ হ'ল——লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত পাগ লোৱা এটি পুৰঠ চৰিত্ৰ। গজপুৰীয়াৰ দৰে তেওঁ কেৱল হাঁহিৰ ভৰাল নহয়, ভোকেন্দ্ৰ বৰুৱাৰ দৰে কেৱল হাঁহিয়াতৰ পাত্ৰ নহয়, তেওঁ অসমীয়া সাহিত্যৰ সৰহভাগ হাঁহি, শ্লেষ, কৌতুক আৰু বিদ্ৰূপৰ জনক। তেওঁ ইংৰাজী সাহিত্যৰ পিক্‌উইক্ আৰু বঙলা সাহিত্যৰ কমলাকান্তৰ সহোদৰ, পুত্ৰ বা নাতি নহয়। কৃপাবৰ বেজবৰুৱা শতিকাৰ আৰম্ভৰ অসমীয়া উদাৰতাবাদ আৰু আশাবাদৰ গাণ্ডীৱধাৰী ধনঞ্জয়।

বেজবৰুৱাৰ হাস্যৰসৰ বিভাগ থাইকৈ তিনিটা। সৰল হাস্যৰস, ব্যঙ্গ হাস্যৰস আৰু বুদ্ধিনিষ্ঠ হাস্যৰস। ইয়াৰ ভিতৰত প্ৰথম বিধৰ বিস্তৃতিয়েই অধিক। বেজবৰুৱাৰ 'নোমল' লিটিকাই, চিকৰপতি-নিকৰপতি আদি প্ৰহসন কেইখনত, খুঁহুটীয়া প্ৰবন্ধ কিছুমানত আৰু কাহুদি খাবলিত এনে ধৰণৰ সৰল হাস্যৰস পোৱা যায়। বেজবৰুৱাই এনেধৰণৰ হাস্যৰসৰ সৃষ্টি কৰিবলৈ যাওঁতে বিভিন্ন ধৰণৰ পন্থা অৱলম্বন কৰিছিল। বেজবৰুৱাৰ এই হাস্যৰসাত্মক নাটক আৰু ৰচনাবোৰত আজিৰ আধুনিক পাঠকেও বিশদ হাঁহিৰ সমল পাব। অৱশ্যে তথাকথিত আধুনিক মাৰ্জিত ৰুচিৰ দোহাই দি বহুক্ষেত্ৰত বেজবৰুৱাৰ হাস্যৰসৰ কেনা দেখুৱাবলৈ গলে আমি বেজবৰুৱাৰ কিয় তাতোকৈ ডাঙৰ হাস্যৰসিকৰ ৰচনাতো হাঁহি বিচাৰি নেপাম। এইখিনিতে বেজবৰুৱাৰ হাস্যৰসৰ এজন আধুনিক সমালোচকৰ কেইআষাৰমান কথা তুলি দিছো। "'বাক্ দোষ' বা অঙ্গ-বিকলতাই কাৰবাৰ মনত হাঁহি ৰস চালিব পাৰে সঁচা; কিন্তু আজিৰ ভদ্ৰ সমাজত ই ঠাই নাপায়। খোনা, কণা, কুঁজা, লেঙুৰ-ভেঙুৰক দেখি বা তেওঁলোকৰ কথা-বতৰা শুনি ভদ্ৰসমাজে নেহাঁহে, বয়সীয়ালজনে নেহাঁহে; অভদ্ৰ সমাজত বা সৰু ল'ৰা-ছোৱালীৰ মাজতহে ই হাঁহি তোলাব পাৰে। 'লিতিকাই' নাটত 'মনাই' নামৰ চৰিত্ৰটো খোনা। 'জোনবিৰি'ত 'দৈকলঙীয়ানী পোহাৰী'ৰ মুখত শব্দ কিছুমানৰ সম্প্ৰদায়গত ভুল উচ্চাৰণ বেজবৰুৱাই হাঁহিৰসৰ বাবে ব্যৱহাৰ কৰিছে যদিও ভদ্ৰ সমাজৰ বাবে ই উচিত হোৱা নাই বুলি কব লাগিব।" আমাৰ বোধেৰে সমালোচকজনে যি ভাবৰ বশবৰ্ত্তী হৈ এনে মন্তব্য দিছে সি নিতান্ত উপৰুৱা। এনেধৰণৰ সমালোচনাত দৃষ্টিৰ স্থূলতা মাথো প্ৰকাশ পায়। সাধাৰণ ভাবে চালেও এই কথা সত্য যে কণা-খোবাক দেখি এতিয়াৰ 'ভদ্ৰ সমাজ' কিয় কোনো কালৰে ভদ্ৰ-সমাজে হঁহা নাই—মানে উপলুঙা কৰা নাই। বেজ-বৰুৱাই সাহিত্যত তাক প্ৰকাশ কৰিলে বুলিয়েই যে সেই কালৰ মানুহে তেনে ব্যৱহাৰ কৰিছিল সেই কথা গ্ৰহণযোগ্য নহয়। মঞ্চত মনাই নামৰ চৰিত্ৰটোৱে খোনাই খোনাই কথা কলে দৰ্শকৰ মনত যি হাঁহিৰ উজান উঠিব এই হাঁহি সম্পূৰ্ণ নিৰ্দ্দোষ বিশুদ্ধ হাঁহি। ই সম্পূৰ্ণ কলা জগতৰ কথা। বাস্তৱ জগতৰ খোনা মনাই এজনৰ পৰা ই একেবাৰে ভিন্ন। অৱশ্যে এই কথা সত্য যে আভিজাত্য হেৰোৱাৰ ভয়ত প্ৰাণ খুলি হাঁহিব নোৱাৰা মুখ টিপি উকমুকনিত মৰা আধুনিক এচাম 'ভদ্ৰলোক'ৰ কাৰণে বেজবৰুৱাৰ হাস্যৰস নহয়।

ব্যংগৰসিক বা ছেটোয়াবিষ্ট বেজবৰুৱা আমাৰ সাহিত্যত অদ্বিতীয়। এই ছেটোয়াৰ কৰিবলৈ যাওতেই কৃপাবৰৰ জন্ম। কৃপাবৰৰ কাকতৰ টোপোলাত এনে ৰচনা প্ৰচুৰ। কৃপাবৰ বৰুৱাৰ ওভতনি', বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি আদিৰ সৰহভাগ ৰচনা ব্যংগপ্ৰধান। বেজবৰুৱাৰ ব্যংগৰ মূল লক্ষ্য আছিল সমাজৰ ভণ্ডামী আৰু কুৱচ শক্তিবোৰক থেকেচি মৰা। তেওঁ সমাজৰ সুবিধাবাদী শক্তি-বোৰক কতো ক্ষমা কৰা নাই। এনে কৰিবলৈ যাওঁতে কেতিয়াবা কোনো ব্যক্তিবিশেষক কটাক্ষ-পাত কৰিবলগীয়া হলেও কৰিছিল। প্ৰকৃত বুদ্ধিনিষ্ঠ ব্যংগ বেজবৰুৱাৰ ৰচনা কম। কাকতৰ টোপোলাত থকা 'অসমীয়া ডাঙৰ জাতি' বোলা প্ৰবন্ধটি এনে ব্যংগৰ উদাহৰণ।

সাধাৰণতে ব্যংগ সাহিত্যৰ একোটা উদ্দেশ্য থাকে। সেয়ে সেই সাহিত্য উদ্দেশ্য সাধনৰ পাছত বহুক্ষেত্ৰত অপ্ৰয়োজনীয় হৈ পৰা দেখা যায়। কিন্তু যি ব্যংগৰসিকে মানৱ চৰিত্ৰ আন্তৰিকতাৰে অধ্যয়ন কৰে আৰু গভীৰ অন্তৰ্দৃষ্টিৰে তেওঁৰ সাহিত্য ৰচনা কৰে ব্যংগ হলেও তেনে সাহিত্যৰ মৰণ নাই। বেজবৰুৱাও এনে এজন সাহিত্যিক। আনহাতে আমি এনেদৰে ভাবিলে ভুল হব যে বেজবৰুৱাৰ যুগৰ সমাজতকৈ এতিয়াৰ সমাজ সহজ-সৰল-সৎ হ'ল। বৰঞ্চ আমাৰ সমাজত আগতকৈ ভণ্ডামী, প্ৰবঞ্চনা, মিছা খৰিয়াল আদি বাঢ়িছেহে। সেয়ে বেজবৰুৱাৰ

সাহিত্য আধুনিক লেখক পাঠক সকলোৰে কাৰণে এক বিৰাট অনুপ্ৰেৰণা। কৃপাবৰ সেয়ে আমাৰ কাৰণে এতিয়াও হাঁহিৰ ভাণ্ডাৰ। তেওঁ আমাক হঁহুৱাইছে, ভবাইছে আৰু তাৰ মাজতে অলক্ষিতে কৰবাত নিজক সংশোধন কৰিবলৈ শিকাইছে।

'কবিতা হয় যদি হওক, নহয় যদি নহওক' বুলি লেখা বেজবৰুৱাৰ ভালেমান কবিতা যদিও কবিতা নহল তাৰে মাজত কিন্তু কেইটামানে "সোণ-পানীৰে ছপাই" বন্ধাই থোৱাৰ সন্মান পালে। বেজ-বৰুৱাৰ কবিতাত তেওঁৰ সৌন্দৰ্য্যপিপাসু মনটোৱে যেনেধৰণে প্ৰকাশ লাভ কৰিছে আধুনিক পাঠকৰ কাৰণে ইয়েই তেওঁৰ কবিতাৰ শ্ৰেষ্ঠ অবদান। "বেজবৰুৱাৰ ৰচনাত আমি সৌন্দৰ্য্যতত্ত্বৰ মনোজ্ঞ বিশ্লেষণ পাওঁ। যিসকলে চকু মুকলি কৰি তেওঁৰ ৰচনা পঢ়ে তেওঁবিলাকে দেখিবলৈ পাব যে বেজবৰুৱাই সৌন্দৰ্য্যতত্ত্বকে তেওঁৰ নিজৰ বিশিষ্টতাৰে নানা প্ৰণা-লীৰে অসমীয়া মানুহৰ মাজত প্ৰচাৰ কৰিবলৈ হাতত লেখনী তুলি লৈছিল। কাল যিমানেই পুৰণি হব সিমানেই তেওঁৰ এই বিশিষ্টতা মানুহৰ চকুত পৰিব। কাৰণ তেওঁ যি মৌলিক তত্ত্বৰ চৰ্চা আৰু অৱতাৰণা কৰিলে সি কোনো কালে পুৰণি হব নোৱাৰে।" (বেজবৰুৱাৰ ব্যক্তিত্ব: কমলেশ্বৰ চলিহা)।

'লিতিকাই'ক বাদ দি বেজবৰুৱাৰ বাকী কেইখন ধেমেলীয়া নাট মুঠেই কৃতকাৰ্য্য নহল। তেওঁৰ সফল গহীন নাট বেলিমাৰ, চক্ৰধ্বজ সিংহ আৰু জয়মতী। এই নাটসমূহৰ ভিতৰত আধুনিক পাঠকক সকলোতকৈ আকৰ্ষণ কৰে 'জয়মতী'ত থকা ডালিমী চৰিত্ৰই। ডালিমী চৰিত্ৰৰ যি গভীৰ আবেদন সিয়ে পাঠকৰ মন মোহে। "ৰৰ্ডছৱাৰ্থৰ লুচিৰ দৰে ডালিমী প্ৰকৃতি জীয়াৰী, সৰল অথচ সহজাত ধী-সম্পন্না"। কবি ৰত্নকান্ত বৰকাকতি দেৱে লিখিছিল "ডালিমী বিশ্বভাৱাত্মিকা— তাই দেখিছে বিৰাট বিশ্ব-ব্ৰহ্মাণ্ডত ডাঙৰ-সৰু কেও নাই; সৰুয়েই ডাঙৰ, ডাঙৰেই সৰু।" এই কথাষাৰেই যেন বেজবৰুৱা মানুহজনৰো এক মুক্ত পৰিচয়!

অসমীয়া সাহিত্যত আধুনিক চুটি গল্পৰ প্ৰথম প্ৰৱৰ্ত্তক বেজবৰুৱা। অকল প্ৰৱৰ্ত্তকেই নহয় অসমীয়া গল্প সাহিত্যক তেওঁ ভালদৰে প্ৰতিষ্ঠা কৰি গ'ল। 'নকও', 'ভদৰী', 'কন্যা' আদি চিৰনতুন গল্প। কোনো কোনো সমালোচকে আকৌ বেজবৰুৱাৰ গহীন ৰচনাৱলীৰ মাজতহে যুগজয়ী বেজবৰুৱাজন আছে বুলি কবলৈ বিচাৰে। বেজবৰুৱাই কিছুমান ব্যংগ চিত্ৰও আঁকিছিল। সাধাৰণতে এই চিত্ৰসমূহৰ স্থায়ী মূল্য বিশেষ নাই। অৱশ্যে অসমীয়া সাহিত্যৰ প্ৰথম ব্যংগ চিত্ৰ হিচাবে এইবিলাকৰ নিশ্চয় এটা ঐতিহাসিক মূল্য আছে।

# কালিদাসৰ শকুন্তলা নাটকত প্ৰকৃতি

উপেন্দ্ৰ নাথ শৰ্ম্মা
২য় বাৰ্ষিক (কলা)

প্ৰকৃতিয়ে, প্ৰকৃতিৰ নদী, পৰ্ব্বত, বননি পশু-পক্ষী আদিয়ে কালিদাসৰ ৰচনাত মুখ্যাংশ অধিকাৰ কৰিছে। প্ৰকৃতিৰ স্থূল সূক্ষ্ম সকলোবিলাক বস্তুৰ লগতে কালিদাসৰ সম্বন্ধ নিবিড়। কালিদাসৰ বৰ্ণনাত তৰু-তৃণ স্পন্দিত হৈ উঠিছে, গছে কথা কৈছে, হৰিণে কান্দিছে।

হস্তিনাধিপতি পুৰুবংশীয় নৃপতি দুষ্মন্ত আৰু কণ্ব মুনিৰ আশ্ৰমত পালিতা শকুন্তলাৰ প্ৰণয় কাহিনী নাটকখনৰ মূল কথা। নৃপতি দুষ্মন্ত সাৰথিক লগত লৈ মৃগয়াৰ্থে অৰণ্যলৈ গ'ল। মৃগানুসৰণ কৰি দুয়োজন উপস্থিত হ'ল কণ্বৰ আশ্ৰমত। অপ্ৰত্যাশিত ভাবে দুষ্মন্তৰ চকুত পৰিল অনসূয়া-প্ৰিয়ম্বদাৰ লগত কৰ্ম্মব্যস্তা শকুন্তলাক। শকুন্তলাৰ অপৰূপ ৰূপৰাশিয়ে দুষ্মন্তৰ চকুত চমক লগালে। চাৰিচকুৰ মিলনত উভয়ে উভয়ৰ প্ৰতি আকৃষ্ট হ'ল। অনসূয়া আৰু প্ৰিয়ম্বদাৰ বাহিৰে এই কথা কাৰো বিদিত নহল। দুয়ো সখীৰ সহায়ত দুষ্মন্ত-শকুন্তলাৰ গন্ধৰ্ব্ব বিবাহ সম্পাদিত হ'ল গোপনভাবে আশ্ৰমৰ মাজত। গন্ধৰ্ব্ব-বিবাহৰ স্বাক্ষৰ স্বৰূপে দুষ্মন্তই শকুন্তলাক প্ৰদান কৰিলে নিজ নাম খোদিত সোণৰ আঙঠি। উপযুক্ত সময়ত শকুন্তলাক অন্তেষপুৰলৈ নিয়াৰ আশ্বাস দি নবপতি উভতি গ'ল ৰাজধানীলৈ।

দৈবদুৰ্বিপাকত শকুন্তলা ক্ৰুদ্ধ ঋষি দুৰ্ব্বাসাৰ দ্বাৰা অভিশপ্তা হ'ল। অভিশাপানুসৰি দুষ্মন্তই শকুন্তলাক পাহৰি গ'ল। ইপিনে শকুন্তলা অন্তঃসত্বা হ'ল। ৰজাই নিবলৈ নহা কাৰণে কণ্ব মুনিৰ উপদেশানুসৰি শকুন্তলাক পতিগৃহলৈ নিয়া হ'ল। কিন্তু ঋষিৰ শাপ ফলিয়ালে। দুষ্মন্তই শকুন্তলাক প্ৰত্যাখ্যান কৰিলে। লাজে অপমানে জৰ্জ্জৰিতা শকুন্তলাক অদৃশ্য শক্তি এটাই লৈ গ'ল ৰাজসভাৰ পৰা স্বৰ্গলৈ। মাৰিচৰ আশ্ৰমত জন্ম হ'ল সৰ্ব্বদমনৰ। দুখৰ দিন ওৰ পৰিল। মাছমৰীয়াৰ হাতৰ পৰা নিজৰ নামখোদিত আঙঠি ৰজাই পুনৰ লাভ কৰিলে। লগে লগে পূৰ্ব্বৰ সকলো কাহিনী দুষ্মন্তৰ মনলৈ এটি এটিকৈ আহিবলৈ ধৰিলে। শকুন্তলাক পাবৰ কাৰণে নৃপতি দুষ্মন্ত উৎকণ্ঠিত হৈ পৰিল। ইতিমধ্যে অসুৰ দমনাৰ্থে দেবেন্দ্ৰই আহ্বান কৰিলে দুষ্মন্তৰ সাহায্য। স্বৰ্গত দুই দম্পতীৰ পুনৰ্মিলন হ'ল। থোৰতে নাটকৰ মূল ঘটনা এইয়ে।

প্ৰথম অঙ্কটোত বৰ্ণনা কৰা হৈছে কণ্ব মুনিৰ আশ্ৰমত নায়ক-নায়িকা, দুষ্মন্ত আৰু শকুন্তলাৰ সাক্ষাৎ। প্ৰকৃতিৰ ৰম্য ভূমি তপোবনতে নাটকীয় ঘটনাৰ মুখ্যাংশ বিলাক সম্পাদিত হৈছে। তপোবনত প্ৰবেশ কৰিয়েই নৃপতি দুষ্মন্তই আশ্ৰমখনৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ এটা সুন্দৰ বৰ্ণনা দিছে। কোনোৱে নকোৱাকৈ যে সেইখন আশ্ৰম বুলি জানিব পাৰি তাকে বৰ্ণায় নৃপতিয়ে সাৰথিক কৈছে—

"নীবাৰাঃ শুকগৰ্ভ-কোটৰমুখ-ভ্ৰষ্টা স্তৰুনামধঃ
প্ৰস্নিগ্ধাঃ ক্বচিদিঙ্গুদী ফল ভিদঃ সূচ্যন্ত এৱোপলাঃ।
বিশ্বাসো পগমাদ ভিন্নগতয়ঃ শব্দং সহন্তে মৃগাম্
তোয়া-ধাৰ-পথাশ্চ বল্কল-শিখা-নিষ্যন্দ-ৰেখাঙ্কিতাঃ।।

"গছৰ তলে তলে, চৰাই পোৱালীবিলাকে খোৱা বনৰীয়া ধানৰ গুটিবিলাক পৰি আছে; ঠায়ে ঠায়ে মুনিসকলে শিলত ইঙ্গুদী ফল ভাঙ্গি তেল উলিওৱা

চিনে পুণ্য তপোবন বুলি সূচনা কৰিছে। ৰথৰ ঘৰ্ঘৰ ধ্বনি শুনিও মৃগবিলাকে অলপো ভয় নকৰি কাণ পাতি শুনিছে; জলাশয়লৈ যোৱা পথ মুনিসকলৰ বাকলি বসনৰ পৰা বোৱা পানীৰ ধাৰাবে তিতি আছে।"

উক্ত বৰ্ণনাটিত আশ্ৰমৰ স্বৰূপ ফুটি উঠিছে। প্ৰকৃতিৰ আবাসভূমি কণ্বৰ আশ্ৰম। যিপিনে চোৱা যায় সেইপিনেই প্ৰকৃতিৰ অপৰূপ ৰূপৰাশিয়ে চকুত চমকনি লগায়। আশ্ৰমৰ আজলি হৰিণা পোৱালীয়ে ভয় কি নাজানে। সেয়েহে ৰথৰ ঘৰ্ঘৰধ্বনিত হৰিণ ভীত হোৱা নাই; আয়ুধশোভিত ৰজাক দেখি লৰি পলোৱা নাই। তপোবনৰ কণ্ঠহাৰ স্বৰূপ মালিনী তটিনীৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ঢৌবিলাকে বতাহৰ ঢৌৰ লগত নাচিছে। পাৰত থকা গছৰ গুৰি ঢৌৱাই গৈছে। যাগ-যজ্ঞৰ ধোঁৱাবে গোটেই তপোবনখন কুঁৱলিয়ে আবৰি ধৰাৰ দৰে হৈছে, হোমৰ ধোঁৱাঁই গছৰ পাত ধোঁৱাঁবৰণীয়া কৰিছে। কুশৰ ছিন্নমূল চোবাই চোবাই হৰিণবিলাকে মনৰ আনন্দতে চাৰিওপিনে লৰি ফুৰিছে। আশ্ৰমৰ এনেকুৱা এটা পৰিবেশত ৰজা আত্মহাৰা হৈ পৰিছে। মৃগবিলাকে তেওঁৰ চাৰিওফালে বিচৰণ কৰি তেওঁৰ পিনে ভেবালাগি চাই আছে।

তপোবনৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰি থাকোতে দুষ্মন্তৰ চকুত পৰিল ফুলৰ পুলিত পানী দি থকা শকুন্তলাক। শকুন্তলাৰ ৰূপত ৰজা মুগ্ধ হ'ল। প্ৰকৃতিৰ বুকুত ডাঙৰ-দীঘল হোৱা শকুন্তলা প্ৰকৃতিদত্ত বস্তুৰেই সুশোভিতা। পৰিধানত বল্কল; কাণত শিৰিশৰ থোপা, খোপাত মালতীৰ মালা। শকুন্তলা প্ৰকৃতিৰ এইবিলাক বস্তুৰে সুশোভিতা। বল্কল বসনা শকুন্তলাৰ ৰূপ দুষ্মন্তই প্ৰকৃতিৰ উপমাৰে বৰ্ণনা কৰিছে।

"সৰসিজমনুবিদ্ধং শৈবলেনাপি ৰম্যং
মলিনমপি হিমাংশোৰ্লক্ষ্ম লক্ষ্মীংতনোতি
ইয়ম্ অধিক মনোজ্ঞা বল্কলেনাপি তন্বী
কিমিবহি মধুৰাণাং মণ্ডনং নাকৃতীনাম্"

বোকাত জন্মা পদুম শেলুবৈৰ দ্বাৰা আবৃত হলেও ধুনীয়া; কৃষ্ণবৰ্ণৰ চিহ্নেৰে চিহ্নিত হলেও জোনৰ পোহৰ মনোৰম; বল্কলবেশেৰে আবৃতা হলেও শকুন্তলা অধিক ধুনীয়া, সুন্দৰ বস্তুক যিকোনো অলঙ্কাৰেৰে সুন্দৰ দেখি।

ইয়াতে শকুন্তলাক পঙ্কজৰ লগত আৰু চন্দ্ৰৰ লগত আৰু বল্কলক শেলুবৈ আৰু চন্দ্ৰৰ কৃষ্ণবৰ্ণৰ চিহ্নৰ লগত তুলনা কৰিছে। উপমাটো প্ৰকৃতিৰ পৰা লোৱা।

প্ৰকৃতিৰ জীয়াৰী শকুন্তলাৰ ৰূপত উপবনৰ সৌন্দৰ্য্যই সোণত সুৰগা চৰাইছে। উপবন নহলে শকুন্তলাৰ সৌন্দৰ্য্য ফুটি নোলালহেতেন আৰু শকুন্তলা নহলেও উপবন পূৰ্ণাঙ্গ নহয়। প্ৰকৃতিৰ প্ৰতিটো বস্তুৱে শকুন্তলাৰ অতি আদৰৰ আৰু সেয়েহে বতাহতে হালিজালি থকা বকুলৰ শাখাই যেন শকুন্তলাক আকোৱালি ধৰিছে। আনন্দত আপোনপাহৰা শকুন্তলা যেন বকুলডালৰ লগত এক হৈ মিলি গৈছে। দুয়ো-যেন দুয়োৰো মৰমত পমি গৈছে। তাকে দেখি প্ৰিয়ম্বদাই কৈছে—শকুন্তলাক পাই বকুল গছজোপাই প্ৰিয়তমাক সাবটি লোৱাৰ দৰে শকুন্তলাক সাবটি লৈ পৰম সুখ লাভ কৰিছে। ৰজায়ো প্ৰিয়ম্বদাৰ কথাতে হয়ভৰ দি কৈছে—

"অধৰ কিশলয় ৰাগ কোমলবিতপানুকাৰিণৌবাহু
কুসুমমিৱ লোভনীয়ং যৌবনমঙ্গেষ সন্নদ্ধম্"

শকুন্তলাৰ ওঁঠ দুটাত নব-বসন্তৰ উজ্জ্বলতা; কোমল হাত দুখন পুৱঠ তৰু-শাখাৰ দৰে ফুল্ল শকুন্তলাৰ ব্যস্ত হিয়াত নৱযৌবনৰ ফুলে সৌৰভ বিলাইছে।

শকুন্তলা যেন এজোপা বনৰীয়া ফুল। কোমল হাত দুখন যেন সেই বনৰীয়া ফুল জোপাৰ শাখা আৰু উঠি অহা নৱযৌবন যেন জকমকাই থকা ফুল।

আনন্দমুখৰ উপবনত যেন ইটো বস্তুৱে সিটোক আদৰ কৰিছে। নৱযৌবনসম্পন্না নৱমল্লিকা জুপিয়ে যেন ফুলেৰে সুশোভিতা হৈ প্ৰিয়তম সহকাৰ জুপিক আঁকোৱালি লৈ মৰম কৰিছে। সহকাৰ জুপিয়েও যেন প্ৰিয়তমাৰ পৰশত আনন্দাপ্লুত হৈ পৰিছে আৰু উভয়ে যৌবনৰ মিলন-মদিৰা পান কৰিছে।

কাৰো চকুত নপৰা প্ৰকৃতিৰ এই সৌন্দৰ্য্যৰাশি কালিদাসৰ বৰ্ণনাত জীৱন্ত হৈ উঠিছে।

মৃগয়াপ্ৰিয় ৰজা তপোবনৰ সৌন্দৰ্য্য দেখি মৃগয়া অনাসক্ত হৈ পৰিছে। পুণ্য তপোবনৰ জীৱজন্তবিলাক আনন্দেৰে উমলি ফুৰক এইটোৱেই যেন ৰজাৰ ইচ্ছা।

গাহন্তাং মহিষা নিপান-সলিলং শৃঙ্গৈর্মুহুস্তাড়িতং
ছায়াবদ্ধ কদম্বকং মৃগকুলং ৰোমন্থমভ্যস্যতু
বিস্ৰব্ধং ক্ৰিয়তা ববাহ-ততিভির্মুস্তী-ক্ষতিঃ পল্বলে
বিশ্ৰামং লভতামিদঞ্চ শিথিল জ্যাবন্ধমস্মদ্ধনুঃ

"মহৰ পালে শিঙেৰে যুঁজ কৰি নদীৰ পানীত সাতুৰি থাকক; শ্ৰেণীবদ্ধ হৈ মৃগযুথে কদম্বৰ শীতল ছাঁত খেলি থাকক; বোকাপানী গাত চতিয়াই বৰাহবিলাক নিশ্চিন্ত মনে থাকক আৰু আমাৰ ধেনুয়ে বিশ্ৰাম লওক", প্ৰকৃতিৰ এই অজলা প্ৰাণীবিলাকে ৰজাৰ অন্তৰ জয় কৰি পেলাইছে।

৩য় অঙ্কত নায়ক-নায়িকাৰ মিলন হৈছে। প্ৰণয় তাপত দগ্ধা শকুন্তলাক ছয়সখীয়ে পদুমপাতৰ বা দি আছে। সৰোবৰত সদ্য প্ৰস্ফুটিত ফুলৰ সৌৰভ আহৰণ কৰি মৃদু বতাহে সেই সৌৰভ চাৰিওপিনে বিলাই দিছে। মালিনীয়ে আনন্দতে অধীৰা হৈ কুলু কুলু সুৰেৰে বৈ গৈছে। গোটেই উপবনখন ইন্দ্ৰৰ নন্দনকাননত পৰিণত হৈছে। এনেকুৱা আনন্দমুখৰ পৰিবেশৰ মাজতে দুষ্মন্তৰ লগত শকুন্তলাৰ গন্ধৰ্ব বিবাহ সম্পাদন হৈছে।

চতুৰ্থ অঙ্কত শকুন্তলা পতিগৃহলৈ যাত্ৰা কৰা দৃশ্যটো কালিদাসে সজীৱ বৰ্ণনাৰে হৃদয়স্পৰ্শী কৰি তুলিছে। এই দৃশ্যটোত প্ৰকৃতিয়ে আমাৰ আগত জীৱন্তৰূপে প্ৰতিভাত হৈছে। শকুন্তলাক সজাবলৈ বিভিন্ন ধৰণৰ গছ-লতিকাই বিভিন্ন বেশভূষা আৰু অলঙ্কাৰ দান কৰিছে। কণ্ব ঋষিয়ে যাবলৈ দিবলৈ অনুমতি বিচাৰিছে। তৰু-তৃণ, পশু-পক্ষীক উদ্দেশ্য কৰি তেওঁ কৈছে—

"পাতুং ন প্ৰথমং ব্যবস্যতি জলং যুষ্মাস্বপীতেষু যা
নাদত্তে প্ৰিয়-মণ্ডনাপি ভবতাং স্নেহেন যা পল্লবম্
আদ্যেৰঃ কুসুম-প্ৰসুতি সময়ে যস্যা ভবত্যুৎসৱঃ
সেয়ং যাতি শকুন্তলা পতিগৃহং সৰ্ব্বৈৰণুজ্ঞায়তাং"

"হে তপোবন সন্নিহিত তৰু-তৃণ! তোমালোক সকলোকে পানী নোযোগোৱাকৈ যি বিন্দুমাত্ৰ জলপান কৰা নাছিল, পত্ৰ-পুষ্প অলঙ্কাৰ অতি প্ৰিয় হোৱা সত্ত্বেও, যি তোমালোকৰ সৌন্দৰ্য্য হানি হোৱাৰ আশঙ্কাত এটি মাত্ৰও পাত চিঙা নাছিল; তোমালোকৰ প্ৰথম ফুল ফুলা দেখিলে যি আনন্দত অধীৰা হৈছিল, সেই শকুন্তলা আজি পতিগৃহলৈ যাব, তোমালোকে সকলোৱে অনুমতি দিয়া"। হঠাতে যেন কুলিয়ে কুউ, কুউ কৰিলে, আৰু ঋষিয়ে যেন অনুমতি পালে।

"অনুমত-গমনা শকুন্তলা
তৰুভিৰিয়ং বনবাস বন্ধুভিঃ।
পৰভৃত-বিৰুতং কলং যতঃ
প্ৰতিবচনীকৃতমেভিৰাম্ৰনঃ" ॥

"তৰু-তৃণবিলাকে শকুন্তলাক যাবলৈ অনুমতি দিছে, বনবাসী বন্ধুবিলাকে শকুন্তলাক অনুমতি দিছে; যেহেতু কুলিয়ে সুমধুৰ মাতেৰে এই সকলোবিলাকৰ কথাই কৈছে"। উক্ত শ্লোক দুটাই প্ৰকৃতিৰ লগত যে শকুন্তলাৰ নিবিড় সম্বন্ধ তাকে সূচাইছে। শকুন্তলাৰ যাত্ৰাৰ কাৰণে নিমাত প্ৰকৃতিৰো অনুমতিৰ দৰ্কাৰ হৈছে। আকাশবাণীয়ে শকুন্তলাৰ যাত্ৰা মঙ্গলময় হওক বুলি আশীৰ্ব্বাদ কৰিছে। প্ৰকৃতিৰ সকলো বস্তুকে আকাশবাণীয়ে আদেশ দিছে—

"ৰম্যান্তৰঃ কমলিনী হৰিতৈঃ সৰোভিঃ
ছায়া দ্ৰুমৈৰ্নিয়মিতাৰ্ক-মীৰচি-তাপঃ।
ভূয়াত্ কুশশয় ৰজো-মৃদু-ৰেণু ৰস্যাঃ
শান্তানুকল-পৱনশ্চ পন্থাঃ ॥

শকুন্তলাৰ যাত্ৰাপথৰ দুই কাষত ফুল্ল-সৰোবৰবিলাকত সুবিমল পদুম ফুলক, ৰজাৰ দুয়োকাষে শাৰী শাৰী হৈ সুশীতল ছাঁ দিয়ক; পদুম ফলৰ ৰেণু আহৰণ কৰি মন্দ মন্দ মৃদুগন্ধ পবন বলক, সত্যময় শিৱম হওক যাত্ৰাপথ"।

শকুন্তলাৰ বিদায়ৰ সময়ত যেন গছবিলাকে বিচ্ছেদ শোকত চকু-পানী টুকিছে, হৰিণ পোৱালীবিলাকে

মাতৃহাৰা হোৱাৰ দৰে ইফালে-সিফালে ঘূৰি ফুৰিছে; অশ্ৰুপ্লুতা নয়নেৰে হৰিণ পোৱালীবিলাকক সাবটি লৈ শকুন্তলাই চুমা খাইছে। শকুন্তলাৰ বিদায়ৰ সময়ত গছবিলাকৰ ডালপাতবোৰে দো খাই শকুন্তলাৰ বাট আগচি ধৰিছে। ফুলেৰে সুশোভিত লতাবিলাকে শকুন্তলাক মেৰিয়াই ধৰিছে। অশ্ৰুসিক্ত নয়নেৰে শকুন্তলাই তৰু-তৃণ-লতা সকলোকে সান্ত্বনা দিছে পুনৰ ঘূৰি আহিব বুলি। তেতিয়াহে যেন লতাবিলাকে বাট এৰি দিলে। আজলি হৰিণ পোৱালীটোৱে শকুন্তলাৰ আবৰণত কামুৰি ধৰিছে; মাতৃহাৰা হৰিণটোৱে যেন শকুন্তলাৰ পৰা মাতৃৰ মৰম বিচাৰিছে। আলফুলকৈ কোলাত তুলি লৈ মৰম কৰি চকুৰ পানী মচি দিছে। প্ৰকৃতিৰ লগত মানুহৰ নিবিড় সম্বন্ধৰ বৰ্ণনা এই অঙ্কটোতেই ৰসোত্তীৰ্ণ আৰু কালজয়ী হৈ উঠিছে।





# ত্রিভুজ

ভাৰতচন্দ্ৰ শৰ্ম্মা
প্ৰথম বাৰ্ষিক (বিজ্ঞান)

প্ৰথমে চাইকেলেৰে ডাক্তৰ বিমান বৰুৱা আহি নামিল। তাৰ পাচতে মৌজাদাৰৰ পদূলিত বোৱা জীপখনৰ চালকৰ আসনৰ পৰা নামি আহিল ঠিকাদাৰ বংশীবদন ডেকা। মৌজাদাৰ চৌধুৰী ওলাই আহি আথে-বেথে দ্ৰয়োজনকে চ'ৰাঘৰত বহুৱালে। অভ্যাসবশতঃ জেপৰ পৰা ৰুমালখন উলিয়াই মুখখন মচি এবাৰ চাৰিওফালে চালে। পানামাৰ পেকেটটো উলিয়াই মৌজাদাৰ আৰু ডাক্তৰক একোটাকৈ দি লাইটাৰেৰে নিজেও এটা জ্বলাই লৈ বংশীবদনে সুধিলে, "ক'তা চৌধুৰী, আপোনাৰ মক্কেল ক'ত?"

মৌজাদাৰে চিগাৰেটটোত এটা টান মাৰি কৃপণৰ ধনৰ দৰে খুউব লাহে লাহে ধোৱাঁবোৰ ওপৰলৈ উৰুৱাই দি ক'লে, "বহকচোন, তেওঁ আহেহে লাগে।"

কিছুসময় আটাইকেইজন নিমাত। ডাক্তৰে একান্তমনে তেওঁৰ হস্পিটেললৈ নতুনকৈ অহা নাৰ্চ মেঘালী চলিহাৰ ধুনীয়া মুখখন এইখিনি অৱসৰতে এবাৰ মনত পেলাই ললে। ঠিকাদাৰে ভাবিলে, পৰিথকা 'বিল'খনৰ বাবে আজি অ'ভাৰচিয়াৰ বৰদলৈক এবাৰ তাগিদা দি আহিবই লাগিব। মৌজাদাৰে একো নেভাবিলে। মাত্ৰ ভিতৰলৈ এবাৰ গৈ চাহৰ পানী তপতাবলৈ আদেশ দি আহিল। আকৌ নীৰৱতা। নীৰৱতাৰ মাজতে চাহ আহিল। নীৰৱে তিনিও খালে। নীৰৱেই ঠিকাদাৰৰ পানামাৰ পেকেটৰ পৰা প্ৰত্যেকে একোটা চিগাৰেট জ্বলাই ললে।